No. of Printed Pages—2

42N (ASN)

[21 HRKP1S(N)–22A]

MA 1st Semester (New) Exam., 2021 (W)

ASSAMESE

(অসমীয়া নাটক)

[PGAS S1 03]

Full Marks : 70/80

Time : 3 hours

The figures in the margin indicate full marks for the questions

Note : *(a)* Learners admitted in 2020 and 2021 are to answer 70 Marks (Question Nos. **1** to **4**).

(b) Learners admitted in and before 2019 are to answer all the questions (Question Nos. **1** to **5**), i.e., for 80 Marks.

1. তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) মদনমঞ্জৰী আৰু লীলাৱতী চৰিত্ৰৰ সৃষ্টিত শংকৰদেৱৰ মৌলিকত্ব কেনেদৰে প্ৰকাশিত হৈছে?

(b) অতুলচন্দ্ৰ হাজৰিকাই ৰচনা কৰা নাটকসমূহক কি কি ভাগত শ্ৰেণীবদ্ধ কৰিব পাৰি?

(c) জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'লভিতা' নাটখনৰ পটভূমি কি?

(d) জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰথম নাটক কোনখন আৰু এই নাটকৰ বিষয়বস্তু কি?

(e) 'ৰূপালীম' নাটকৰ সংলাপৰ দুটা বৈশিষ্ট্য লিখক।

(f) এবছার্ড নাটক বুলিলে কি বুজে?

2. তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১০০ শব্দৰ ভিতৰত) : 3×4=12

(a) 'ৰুক্মিণী হৰণ' নাটত বিভিন্ন ৰসৰ প্ৰকাশ কেনেদৰে ঘটিছে, চমুকৈ লিখক।

(b) 'নৰকাসুৰ' নাটকৰ কথাবস্তুৰ উৎস কি? ইয়াত নাট্যকাৰৰ মৌলিকত্বৰ প্ৰকাশ কেনেদৰে ঘটিছে?

(c) ''জ্যোতিপ্রসাদৰ নাটকে অসমীয়া নাট্যসাহিত্যৰ ইতিহাসত অভিনৱত্বৰ সংযোজন ঘটালে।'' কথাষাৰৰ সাৰ্থকতা প্ৰতিপন্ন কৰক।

(d) 'ৰূপালীম'ৰ ইতিভেন আৰু ৰূপালীম চৰিত্ৰ দুটাৰ বৈপৰীত্য কেনেধৰণৰ?

(e) 'মহাকাব্যিক নাটক'ৰ বিষয়ে এটা টোকা লিখক।

3. তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) : 6×4=24

(a) অংকীয়া নাটত সূত্ৰধাৰৰ ভূমিকা কেনেধৰণৰ, বুজাই লিখক।

(b) শংকৰোত্তৰ যুগৰ নাটকৰ বৈশিষ্ট্যসমূহ লিখক।

(c) দৈত্যাৰি ঠাকুৰৰ 'নৃসিংহ যাত্ৰা'ৰ এটা বিশ্লেষণ দাঙি ধৰক।

(d) 'ৰাম-নৱমী' নাটকৰ সামাজিক, ঐতিহাসিক আৰু সাহিত্যিক মূল্য বিচাৰ কৰক।

(e) সতীশ চন্দ্ৰ ভট্টাচাৰ্যৰ 'মহাৰাজা' নাটকৰ কলাকৌশলৰ বিষয়ে এটা আলোচনা আগবঢ়াওক।

4. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 8×3=24

(a) 'অৰ্জ্জুন ভঞ্জন' নাটকৰ চৰিত্ৰ-চিত্ৰণত নাট্যকাৰ কিমানখিনি সফল হৈছে, আলোচনা কৰক।

(b) আধুনিক অসমীয়া নাটকৰ গতিপথৰ বিষয়ে এটা প্ৰবন্ধ লিখক।

(c) এবছাৰ্ড নাটকৰ বিভিন্ন বৈশিষ্ট্য 'আহাৰ' নাটকত কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰক।

(d) 'এজাক জোনাকীৰ জিলমিল' নাটকত অন্তৰ্মুখী ক্ৰিয়াশীলতাৰ প্ৰকাশ কেনেদৰে ঘটিছে, আলোচনা কৰক।

The following question is *NOT* for the learners admitted in 2020 and 2021 batches :

5. তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 10

(a) 'নৰকাসুৰ' নাটকৰ চৰিত্ৰসমূহ বিশ্লেষণ কৰক।

(b) অসমীয়া নাট্য-সাহিত্যলৈ ভৱেন্দ্ৰনাথ শইকীয়াৰ অৱদানৰ বিষয়ে লিখক।

★★★